School Leadership

# বিদ্যালয়ৰ নেতৃত্ব

# Transforming teaching-learning process: promoting inclusion in your school

# শিকন শিক্ষণ প্ৰক্ৰিয়াৰ ৰূপান্তৰ ঃ আপোনাৰ বিদ্যালয়ৰ অন্তৰ্ভুক্তিত বিকাশ কৰা





Teacher Education through School-based Support in India
www.TESS-India.edu.in

অনুবাদ আৰু অভিযোজন ঃ ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

http://creativecommons.org/licenses/

The Open University

UKaid from the British people

এই স্কুল লিডাৰশ্বিপ অ' ই আৰ (মুক্ত শৈক্ষিক সম্পদ) হৈছে Tess Indiaৰ 20টা গোটৰ অন্যতম, যাৰদ্বাৰা বিদ্যালয়ৰ প্ৰধান শিক্ষকসকলে নিজৰ বুজাশক্তি আৰু দক্ষতাৰ বিকাশ ঘটাই শিক্ষণ আৰু শিকনৰো উন্নতি কৰিব পাৰে। এই গোটটোত অনুশীলন অতি প্ৰয়োজনীয় আৰু কৰ্মীবৃন্দ শিক্ষাৰ্থী তথা অন্যান্য সকলেও ইয়াত সহযোগ কৰিব। এইবোৰ ফলপ্ৰসু বিদ্যালয়ৰ সন্দৰ্ভত কৰা গৱেষণা আৰু পাঠ্যক্ৰমিক অধ্যয়নৰ ওপৰত নিৰ্ভৰশীল।

নিৰ্দিষ্ট গোট অধ্যয়নৰ কোনো নিৰ্দেশনা নাই যদিও স্কুল লিডাৰশ্বিপে গোটেই বিষয়টো অধ্যয়ন তথা শিক্ষণ-শিকণৰ উপযুক্ত কাৰ্যব্যৱস্থাৰ যোগান ধৰে। আপোনালোকে গোটটো অধ্যয়নৰ বাবে বিশেষ বিষয়বস্তুৰ সহায় ল'ব পাৰে। নেচনেল কলেজ অৱ স্কুল লিডাৰশ্বিপৰ পাঠ্যক্ৰমিক পৰিকাঠামোৰ সৈতে সংঘৰদ্ধ এই গোটটোৰ মূল দিশ হ'ল ঃ স্কুল লিডাৰশ্বিপত ইয়াৰ প্ৰভাৱ (ক) নিজা নিয়ন্ত্ৰণ আৰু বিকাশ, (খ) শিক্ষণ-শিকন পদ্ধতিৰ পৰিৱৰ্তন, (গ) অংশীদাৰিত্ব বৃদ্ধি। বাকীবোৰে কোনো বিশেষ গুৰুত্ব আৰোপ নকৰাকৈ নতুনত্বৰ সন্ধান কৰে।

এই গোটটো প্ৰধান শিক্ষকসকলে নিজা অধ্যয়ন অথবা শিক্ষণ আঁচনিৰ অংশ হিচাপে ব্যৱহাৰ কৰিব পাৰে। শিক্ষণ আঁচনিৰ অংশ হিচাপে ব্যৱহাৰ কৰিব পাৰে। আনহাতে তেওঁলোকে ব্যক্তিগত শিক্ষণ দিনলিপিৰ ব্যৱস্থা কৰি তাৰপৰা হোৱা অভিজ্ঞতা আনৰ সৈতে ভাগ বতৰা কৰি লাভান্বিত কৰিব পাৰে। ইয়াত ব্যৱহৃত স্কুল লিডাৰ বাক্যাংশই প্ৰধান শিক্ষক, অধ্যক্ষ, সহকাৰী শিক্ষক অথবা বিদ্যালয়ৰ নেতৃত্ব বহনকাৰীৰ দৰে দায়বদ্ধ ব্যক্তিক বুজাইছে।

**ভিডিঅ' সম্পদ *Video resources***

*The* Tess Indiaৰ স্কুল লিডাৰশ্বিপে ভাৰতীয় বিদ্যালয়ৰ প্ৰধানসকলৰ বাৰ্তালাপৰ ভিডিঅ' কৰি সেইবোৰ বিদ্যালয়ৰ শিক্ষণ আৰু শিকণৰ পৰিৱৰ্তন তথা উন্নতিত অৰিহণা যোগাইছে। এই প্ৰচেষ্টাৰে তেওঁলোকে নিজৰ নিজৰ দক্ষতাৰ প্ৰমাণ কৰিববৈ উৎসাহিত হ'ব। এইবোৰে শিক্ষকসকলক পাঠ্যপুথিৰ গোটভিত্তিক শিক্ষা প্ৰদানৰ বাবে উদগনি যোগাব, অৱশ্যে এইবোৰ ব্যৱহাৰ কৰাটো অপৰিহাৰ্য নহয়।

Tess Indiaৰ ৱেবচাইট http://www.tess-india.edu.inৰ পৰা ডাউনলোড কৰি অথবা অনলাইনতে এই ভিডিঅ'সমূহ প্ৰত্যক্ষ কৰিব পাৰি। নতুবা চিডি আৰু মেম'ৰী কাৰ্ডটো ভিডিঅ'সমূহ লৈ চাব পাৰি।

Tess India প্ৰকল্পৰ বিষয়ে

ছাত্ৰ-ছাত্ৰীৰ সহযোগিতা বৃদ্ধিৰ বাবে বিদ্যালয়ৰ কৰ্তৃত্বশীল ব্যক্তিৰ সমৰ্থনত মুক্ত শৈক্ষিক সম্পদ ব্যৱহাৰ কৰি শ্ৰেণীকোঠাত প্ৰাথমিক আৰু উচ্চ শাখাৰ শিক্ষকৰ অনুশীলনৰ অভ্যাসৰ উন্নতি ঘটোৱাটোৱেই Tess Indiaৰ লক্ষ্য।

ভাষা, বিজ্ঞান আৰু গণিতসহ বিদ্যালয়ৰ পাঠ্যপুথিৰ লগতে 105 Tess India বিষয়ৰ মুক্ত শৈক্ষিক সম্পদসমূহ শিক্ষকক যোগান ধৰা হয়। তেওঁলোকে শিক্ষকসকলক এনে কাম কাজৰ সুবিধা প্ৰদান কৰিব যাতে আন শিক্ষকে একেটা বিষয় শিকাওতে ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰা জ্ঞান তথা বোধশক্তি তুলনামুলকভাৱে উন্নত হ'ব।

Tess Indiaৰ সকলো মুক্ত শৈক্ষিক সম্পদ ভাৰতীয় তথা আন্তঃৰাষ্ট্ৰীয় লিখকৰ দ্বাৰা সামগ্ৰিকভাৱে লিখা, য'ত ভাৰতীয় পাঠ্যক্ৰম আৰু সূচীপত্ৰ অনলাইনত (http://www.tess-india.edu.in) উপলব্ধ। মুক্ত শৈক্ষিক সম্পদসমূহ বিভিন্ন পৰ্যায়ত উপলব্ধ আৰু প্ৰত্যেক অংশগ্ৰহণকাৰীৰ বাবে ই উপযুক্ত।

Tess India ইংলেণ্ড চৰকাৰৰ দ্বাৰা ব্যয়সম্বলিত আৰু ইংলেণ্ড মুক্ত বিশ্ববিদ্যালয়ৰ অধীনৰ।

*Version 2.0 SL13v1*
*Assam*

*Except for third party materials and otherwise stated, this content is made available under a Creative Commons Attribution-ShareAlike licence: http://creativecommons.org/licenses/by-sa/3.0/*
*TESS-India is led by The Open University UK and funded by UK aid from the UK government*

# এই গোটটোৰ বিষয়ে (What this unit is about)

বিগত দুইগ্রতিনি দশক ধৰি ভাৰতৰ লগতে বি ৰে আন আন দেশৰ চৰকাৰসমূহে শিক্ষাৰ সামগ্রিক ক্ষেত্ৰখনক লিংগ আৰু সামাজিক পক্ষপাতিত্বৰ কৰলৰ পৰা মুত্ত কৰাৰ পৰিপ্রেক্ষিতত কেতবোৰ প্রতিশ্রুতিসম্পন্ন ব্যাখ্যা আগবঢ়াই আহিছে। এক সম্ভাৱনাপূৰ্ণ পৰিৱৰ্তনৰ যুগ হিচাপে এই সময়ছোৱাক অভিহিত কৰা হৈছে, য'ত শিক্ষা ব্যৱস্থাক অধিক মজবুত কৰি ছাত্ৰ সমাজৰ মাজত ইয়াক সঠিক আৰু নিৰ্ভলভাৱে প্রসাৰিত কৰাৰ ওপৰত গুৰুত্ব প্রদান কৰা হৈছে।

পৰিবৰ্তনৰ এই ধাৰাই নিম্নলিখিত দিশসমূহ সামৰি লৈছে—

- সকলোধৰণৰ বৈষম্য আঁতৰ কৰা
- সকলোকে সমভাৱে শিক্ষা প্রদান কৰা
- শিশুকেন্দ্রিক, প্রয়োজন সাপেক্ষে শিক্ষাৰ ব্যৱস্থা কৰা
- শিকন প্রত্রি য়াত সৰ্বাধিক সংখ্যক শিশুৰ অংশগ্রহণ নিশ্চিত কৰা

ৰাষ্ট্রীয় শিক্ষানীতি ((NPE 1986) কে ধৰি প্রাথমিক আৰু মাধ্যমিক শিক্ষাৰ ৰাষ্ট্রীয় পাঠ্যত্র ম 1988, সংশোধিত ৰাষ্ট্রীয় শিক্ষানীতি আঁচনি কাৰ্যত্র ম, 1992 (DOA) আদি দেশৰ আন আন প্রমুখ আঁচনি, নীতিসমূহেও ওপৰোত্ত দিশসমূহ প্রতিফলিত কৰিছে। অতি সম্প্রতি ৰাষ্ট্রীয় পাঠ্যত্র ম ৰূপৰেখা 2005য়ে সামগ্রিক (inclusive) শিক্ষাৰ জৰিয়তে শিক্ষাৰ গুণগত দিশক উন্নত কৰাৰ ক্ষেত্ৰত এক সামগ্রিক ধাৰণাৰ পোষকতা কৰিছে। য'ত এই সন্দৰ্ভত শিক্ষকে কি কৰা প্রয়োজন তাক স্পষ্ট ৰূপত উল্লেখ কৰা হৈছে। যেনে—

- প্রতিগৰাকী ছাত্র-ছাত্রীৰ বিশেষ প্রয়োজনীয়তা সম্পৰ্কে সংবেদনশীল হোৱা
- শিশুকেন্দ্রিক সামাজিকভাৱে প্রাসংগিক আৰু সমশিক্ষা প্রদান কৰা
- ছাত্র-ছাত্রীৰ সামাজিক আৰু সাংস্কৃতিক ভিন্নতাক উপলব্ধি কৰা

যিবোৰ আশা অথবা উদ্দেশ্য লৈ ছাত্র-ছাত্রীয়ে ঘৰৰ পৰা বিদ্যালয়লৈ আহে তাৰ অতি আওকনীয়া হোৱা বা গুৰুত্ব নিদিয়াৰ দৰে মানসিকতাই শিক্ষকৰ পেচাগত উত্তৰণত সদায় অন্তৰায়ৰ সৃষ্টি কৰে। জাতি, ধৰ্ম, বৰ্ণ, লিংগ আৰু কোনোধৰণৰ অক্ষমতা নিৰ্বিশেষে সকলোধৰণৰ ছাত্র-ছাত্রীয়ে বিদ্যালয়ৰ কাৰ্যসূচীত সমভাৱে অংশগ্রহণ কৰা আৰু অৰ্থবহ শিক্ষা লাভৰ সুবিধা প্রদান কৰাৰ বাবে সকলো শিক্ষক মানসিকভাৱে প্রস্তুত হৈ থকাতো বাঞ্ছনীয়। শিক্ষাৰ অধিকাৰ আইন 2009 খনে শিশুৰ গুণগত শিক্ষাৰ এই ধাৰাক ত্বৰান্বিত কৰাত অধিক মাত্রা প্রদান কৰিছে। এই আইনখনে লিংগ তথা সামাজিক শ্ৰেণীভেদে সকলো ছাত্র-ছাত্রীৰ বাবে এক বাস্তৱিক আৰু শিকন পৰিৱেশ সমৃদ্ধ পাঠ্যত্র ম আৰু নিয়মিত প্রত্রি য়াৰ অনুশীলনৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিছে।

এই ক্ষেত্ৰত সংলগ্ন হৈ থকা গৱেষণা গোটে এইটো নিৰূপণ কৰিছে যে শিক্ষকৰ কৌশল ইতিবাচক বা অভিৰোচনে শিকন ব্যৱস্থাত প্রান্তীয়। অনগ্রসৰ শ্ৰেণীৰ ল'ৰা-ছোৱালীৰ যোগদান আৰু শিক্ষন আয়ত্বকৰণত যথেষ্টখিনি প্রভাৱ বিস্তাৰ কৰে।

এখন সামগ্রি শিক্ষা ব্যৱস্থাৰ বিদ্যালয়ৰ শ্ৰেণীকোঠাত শিক্ষকৰ দ্বাৰা সকলো ছাত্র-ছাত্রীক নিয়ন্ত্রণত ৰাখি সমভাৱে শিক্ষাদান কৰাৰ প্রত্রি য়াক বাস্তৱায়িত কৰোৱাটো বিদ্যালয়ৰ জ্যেষ্ঠ দলপতিজনৰ বাবে বৰ সহজ কাম নহয়। এই ক্ষেত্ৰত প্রধানত বিদ্যালয় নেতৃত্বত থকা ব্যত্তি জনৰ বাবে বাধ্যতামূলক কাম হ'ল—

- শিক্ষণ প্রত্রি য়াত ব্যত্তি গতভাৱে সকলো ছাত্র-ছাত্রীৰ আৰম্ভণিত বিভিন্নত থাকিলেও নিৰ্ধাৰিত সময়ত সকলোৰে পৰা সমান ফলাফল লাভৰ পোষকতা কৰা
- ছাত্র-ছাত্রীৰ শিক্ষন আয়ত্বকৰণৰ দিশটোক উন্নত কৰাৰ বাবে বিদ্যালয়ৰ শিক্ষকসকলক উৎসাহিত কৰা
- ছাত্র-ছাত্রীৰ বিদ্যায়তনিক সাফল্যতকৈ সামগ্রিক সাফল্যৰ গুৰুত্ব দিয়া

এগৰাকী বিদ্যালয়ৰ নেতৃত্বশীল ব্যত্তি হিচাপে আপুনি শিশুৰ অধিকাৰ 1989 শীৰ্ষক ৰাষ্ট্ৰসংঘৰ চনদ সম্পৰ্কে সজাগ হ'ব লাগিব যিয়ে ইয়াৰ সদস্য ৰাষ্ট্ৰবোৰৰ বাবে নিজৰ অধীনৰ সকলোবোৰ ল'ৰা-ছোৱালীক সমশিক্ষন প্রদানৰ বাবে বিহিত ব্যৱস্থা কৰাটো বিধিগত কৰাৰ

নির্দেশ দিছে। সেয়েহে বিদ্যালয় প্ৰধান দলপতি হিচাপে এইটো আপোনাৰ দায়িত্ব যাতে আপোনাৰ বিদ্যালয় পৰিমণ্ডলত সামগ্ৰিক চিন্তাৰগ্ৰমনোভাৱৰ প্ৰসাৰ আৰু প্ৰতিপালন সযতনে হয়।



**চিত্ৰ ১ ঃ আপোনাৰ বিদ্যালয়ত অন্তভূক্তি  শিক্ষাৰ বিকাশ সাধন**

## শিকন দিনলিপি (Learning Diary)

এই গোটত কাম কৰাৰ সময়ত আপোনাৰ প্ৰয়োজন হ'ব এখন শিকন দিনলিপিৰ যাৰ বাবে আপুনি ব্যৱহাৰ কৰিব পাৰে এখন নোটবুক অথবা এটা ফোল্ডাৰ। আপুনি আপোনাৰ চিন্তা, পৰিকল্পনাসমূহক একেলগে এই দিনলিপিত লিপিবদ্ধ কৰি থ'ব পাৰিব। সম্ভৱত এই ব্যৱস্থা আপুনি ইতিমধ্যে গ্ৰহণ কৰিছেই।

হয়তো এই গোটটোত আপুনি অকলেই কাম কৰিবলগা হ'ব পাৰে যদিও আপুনি অধিক উপকৃত হ'ব যদিহে আপোনাৰ শিকন অভিজ্ঞতাবোৰ আন নেতৃত্বশীল ব্যক্তি বা দলপতিৰ সৈতে বিনিময় কৰে। এই ব্যক্তিগৰাকী আপোনাৰ সহকৰ্মীও হ'ব পাৰে যাৰ লগত আপুনি আগৰ পৰাই এই সম্পৰ্কে আলোচনা কৰি আহিছে অথবা আন কোনো সদ্য পৰিচিত ব্যক্তিও হ'ব পাৰে। এই কামতো সুসংবদ্ধ ভাবেও কৰিব পাৰে অথবা আপোনাৰ ইচ্ছা অনুসৰি অনানুষ্ঠানিক ভিত্তিতো কৰিব পাৰে। আপোনাৰ শিক্ষন দিনলিপিত লিপিবদ্ধ কৰা কথাসমূহ সভা সমিতিসমূহৰ লগতে দীৰ্ঘদিনীয়া শিক্ষন আৰু বিকাশৰ প্ৰত্ৰি য়াত সহায়ক হ'ব।

## এই গোটটোৰ জড়িয়তে বিদ্যালয়ৰ জ্যেষ্ঠ দলপতিয়ে কি শিকিব পাৰে? (What school leaders can learn in this unit)

- ভিন্নতা, সমতা আৰু সমন্বিতকৰণ সম্পৰ্কে বিদ্যালয়ৰ অন্যান্যসকলৰ সৈতে সহমতত উপনীত হ'ব পৰে
- আপোনাৰ বিদ্যালয়ৰ সকলোবোৰ ছাত্ৰ-ছাত্ৰীৰ শিক্ষন ফলাফলৰ উত্তৰণৰ বাবে গুৰুত্ব দিবলগীয়া দিশসমূহ নিৰ্দ্ধপণ কৰিব পাৰে
- আপোনাৰ বিদ্যালয়ৰ অসুবিধা নাইবা বহিভূত্ত দিশসমূহক উদ্দেশি কাৰ্য ব্যৱস্থা পৰিকল্পনা আৰু সম্পাদন কৰিবলৈ আনৰ লগত সহযোগীতা কৰা।
- আপোনাৰ নিজস্ব পদক্ষেপে পেলাব পৰা প্ৰভাৱসূহৰ মূল্যায়নৰ গুৰুত্ব বুজিব পাৰে

## নেতৃত্বৰ জৰিয়তে সম্ভাৱ আৰু সামগ্ৰিক শিক্ষাৰ বিকাশৰ (Promoting equity and inclusion through leadership)

এয়া আমাৰ বাবে গৰ্বৰ বিষয় যে ভাৰতৰ জনসংখ্যাৰ গাঠনি অতি, বৰ্ণাঢ্য। বৈচিত্ৰ্যতা শব্দটোৱে ভিন্নতাৰ সমন্বয়ক ঠাৰৰ কৰে। এনে কথা নহয় যে জীৱনৰ প্ৰতি আকৰ্ষণ বৃদ্ধি কৰাতেই বৈচিত্ৰ্যতাৰ অৰ্থ নিহিত হৈ থাকে। বৰঞ্চ জটিল আৰু পৰিবৰ্তনশীল পৃথিৱীৰ লগত খাপ খাব পৰাকৈ বৈচিত্ৰ্যতাই বিভিন্ন উপায় আৰু সম্ভাৱনাসমূহ প্ৰতিফলিত কৰে।

এখন বিদ্যালয়ৰ বৈচিত্ৰ্যতাত বিভিন্ন কাৰক যেনে- ভাষা, জাতি, বৰ্ণক গোষ্ঠী, লিংগ, আয়ৰ পৰিমাণ, শাৰীৰিক অক্ষমতা, বসবাস, বয়স অথবা পূৰ্বৰ বিদ্যালয় আদি জড়িত হৈ থাকে। বিদ্যালয়ত ভৰ্ত্তি হোৱাৰ পাতনিতে দুজন ছাত্ৰৰ শিকন ক্ষমতা অথবা পাঠ্যত্ৰ ম সম্বন্ধীয় ধাৰণা একে নোহোৱাটো স্বাভাৱিক। কাৰকৰ তেওঁলোকৰ জীৱন শৈলী ভিন ভিন এনে প্ৰেক্ষাপটত শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ বিভিন্নতাসমূহক সমান মৰ্যাদা দি শিক্ষন প্ৰত্ৰি য়াৰ প্ৰতি তেওঁলোকৰ মনোযোগ আকৰ্ষণ কৰোৱাটোহে গুৰুত্বপূৰ্ণ কথা।

## ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ আধাৰত পাঠ্যত্ৰ ম ৰূপৰেখাৰ উদ্ধৃতি

সমতাৰ বিকাশ সাধনৰ বাবে সকলোবোৰ ল'ৰা-ছোৱালীক অকল বিদ্যালয়ত অংশগ্ৰহণ কৰাৰ ক্ষেত্ৰতে নহয় তেওঁলোকৰ শৈক্ষিক কৃতকাৰ্যতাৰ দিশটোতো গুৰুত্ব দিব লাগিব। তদুপৰি পাঠ্যত্ৰ মৰ গাঠনি এনে হ'ব লাগিব য'ত ল'ৰা-ছোৱালীৰ স্বভাৱজাত সমতাৰ দিশটো প্ৰতিফলিত হয়। ইয়াৰ উদ্দেশ্য এয়াই যে ল'ৰা-ছোৱালীৰ কোনোধৰণৰ বিসংগতিয়ে বিদ্যালয়ত বাকীবোৰৰ সৈতে মিলা-মিছাত যাতে কোনো অন্তৰায়ৰ সৃষ্টি নকৰে।.

বিদ্যালয় বা শ্ৰেণীকোঠাত নীতিসমূহৰ বি ষণ জটিল হ'ব পাৰে। সেয়েহে বিদ্যালয়ৰ জ্যেষ্ঠ দলপতিজনে এইটো দায়িত্ব ল'ব লাগে যাতে বিদ্যালয়ৰ লগত জড়িত সকলকে বিভিন্নতা, সমতা সামগ্ৰিকতাৰ ধাৰণাবোৰ স্পষ্টভাৱে পায়। তিনিটা প্ৰাৰম্ভিক পদক্ষেপৰ সহায়ত এই কথাখিনি নিশ্চিত কৰিব পাৰি—

1. বিদ্যালয় চৌহদৰ সকলোৱে বিভিন্নতা, সমানতা আৰু সামগ্ৰিকতাৰ ধাৰণা লাভ কৰাটো নিশ্চিত কৰা। তাৰ লগতে ছাত্ৰগ্ছাত্ৰীৰ গুণগত ফলাফল লাভৰ অনুশীলনৰ বাবে সম্ভাব্য ইংগিতৰ কথাটোও সংলগ্ন কৰা
2. ছাত্ৰ-ছাত্ৰীৰ মাজৰ বৈষম্য আৰু বিদ্যালয় এৰাৰ প্ৰৱণতা সম্পৰ্কত সহযোগিতামূলক মনোভাৱেৰে পদক্ষেপ গ্ৰহণ কৰা। নিজৰ কাৰ্যসমূহৰ বি ষণ কৰি পৰিৱৰ্তন অনা যাতে তাৰ দ্বাৰা এই ছাত্ৰ-ছাত্ৰীৰ শিক্ষন ফলাফল ফলপ্ৰসূ হয়।
3. শিকন শিক্ষণ তথা অন্যান্য প্ৰত্ৰি য়াসমূহৰ নতুন ধাৰাসমূহ নিৰীক্ষণ কৰা যাতে ছাত্ৰ-ছাত্ৰীৰ ওপৰত তাৰ সুপ্ৰভাৱ পৰিলক্ষিত হয়।

ইতিমধ্যে আপুনি 'আপোনাৰ বিদ্যালয়ৰ বিকাশৰ বাবে বিভিন্নতা সন্দৰ্ভত তথ্যৰ ব্যৱহাৰ' শীৰ্ষক গোটটো পঢ়িছে, তেতিয়াহ'লে আপুনি নিশ্চয় ঠাৰৰ কৰিব পাৰিছে যে কেনেদৰে আপোনাৰ বিদ্যালয় পৰিমণ্ডলত বিভিন্ন তথ্যই বিভিন্নতাৰ বিষয়টো উজ্জীৱিত কৰিছে তাৰ লগে লগে এই সন্দৰ্ভত গুৰুত্ব প্ৰদান কৰিবলগীয়া দিশসমূহৰো চিনাক্তকৰণ হৈছে। এই ক্ষেত্ৰত বিভিন্ন তথ্যৰ সংগ্ৰহ আৰু তাৰ আলমত গুৰুত্ব দিবলগীয়া দিশসমূহৰ চিনাক্তকৰণ প্ৰত্ৰি য়াটো বিদ্যালয়ৰ বাকীবোৰৰ কাৰণে কিছু জটিল হ'ব পাৰে যদিও দলপতি হিচাপে আপুনি তেওঁলোকৰ লগত সহযোগ কৰাটো নিশ্চিত কৰিব।

## বিভিন্নতা, সমতা আৰু সামগ্ৰিক শিক্ষাৰ ধাৰণা লাভ কৰাত আনক সহায় কৰা (2 Helping others to understand diversity, equity and inclusion)

আপুনি হয়তো লক্ষ্য কৰিছে যে আপোনাৰ বিদ্যালয়ৰ কোনোবা সহকৰ্মী যদি সামগ্ৰিকতাৰ ধাৰণা স্পষ্ট হৈছে আন কাৰোবাৰ হোৱা নাই। এই ক্ষেত্ৰত অনেকৰ ক্ষেত্ৰত পেচাগত উত্তৰণৰ প্ৰয়োজন হয় যাতে তেওঁলোকে নিজৰ বিদ্যালয় পৰিমণ্ডলত থকা বিভিন্নতাৰ মাজত থকা সমন্বয় আৰু ছাত্ৰ-ছাত্ৰীৰ শিক্ষণ ফলাফলৰ ওপৰত পৰিব পৰা ইয়াৰ বিশেষ প্ৰভাৱখিনিক ভালদৰে বুজি পায়।

সেয়েহে এজন ব্যক্তি বিশেষ হিচাপে আপুনি আপোনাৰ সহকৰ্মী তথা সমাজৰ অন্যান্যসকলক এই ধাৰণা সম্পৰ্কে সজাগ কৰাৰ স্বাৰ্থত কিছু সময় দিয়াটো বাঞ্চনীয়। বিদ্যালয় আৰু বৃহত্তৰ সমাজক নিয়োগ কৰাৰ আগতে ইয়াৰ বাবে আপোনাৰ প্ৰয়োজন হ'ব কিছুসংখ্যক সৰু সৰু কৰ্মী গোটৰ যিবিলাকে এই নতুন দিশসম্পৰ্কে সহকৰ্মীসকলৰ মাজত ভিন্নতা, সমতা বা সামগ্ৰিকতাৰ ধাৰণা দিবলৈ নেযাওক কিয় ইয়াৰ বাবে আপোনাৰ প্ৰয়োজন হ'ব কিছুমান আহিলাৰ, যিয়ে আপোনাক এই প্ৰক্ৰিয়াটো আৰম্ভ কৰাত আপোনাক সহায় কৰিব।

## সমল-১ ঃ আপোনাৰ সহকৰ্মীৰ লগত এইধৰণৰ ভাবৰ বিনিময়ৰ ক্ষেত্ৰত সকলো অন্তৰ্ভুক্তিকৰণৰ দৰে চিন্তা ফলদায়ক হ'ব

### দৃশ্য ঃ সকলোকে জড়িত কৰা প্ৰক্ৰিয়াৰ

Article et at 2006 য়ে শিক্ষা ব্যৱস্থাত চাৰি মাত্ৰাৰ অন্তৰ্ভুক্তিকৰণৰ পোষকতা কৰে যি এই ব্যৱস্থাৰ আৰম্ভমিটো সূচল কৰাত সহায় কৰে।

**সুচলতা ঃ** বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰ অন্তৰায় হিচাপে যিকোনোধৰণৰ শাৰীৰিক, মানসিক, অক্ষমতা, দৰিদ্ৰতা (ইউনিফৰ্ম ফিজ আদিৰ যোগান ধৰিব নোৱৰা, পৰিয়ালৰ বাবে উপাৰ্জনৰ পথ নথকা, ল'ৰা-ছোৱালীক পঢ়িবলৈ আছুতীয়া ঠাই দিব নোৱাৰা), অৱস্থিতি (ঘৰৰ পৰা বিদ্যালয়লৈ যোৱাৰ সুগম ৰাস্তা নথকা), ঘৰুৱা দায়িত্ব অথবা ল'ৰা-ছোৱালীৰ শিক্ষাক গুৰুত্ব নিদিয়া আদি বিভিন্ন কাৰক ক্ৰিয়াশীল হয়।

1. **গ্ৰহণ ঃ** বিদ্যালয়ত ভৰ্তি হোৱা পিছত ল'ৰা-ছোৱালীয়ে যিখিনি মৰ্যাদা পায় সেয়া শিক্ষকৰ আচৰণে প্ৰভাৱিত কৰিব পাৰে।
2. **অংশগ্ৰহণ ঃ** শিকন হৈছে এক সামাজিক কাৰ্য। আমি যেতিয়া আনৰ সৈতে কোনো কাৰ্যত জড়িত হও তেতিয়া ভিন্নজনৰ মতামতৰে এক যৌথমত গঠন কৰো আৰু তেনেদৰেই জ্ঞান আহৰণ হয়। সেয়ে শিকাৰুসকলক সদায় সহপাঠীৰ সৈতে কোনো কামত অংশগ্ৰহণ তথা মতামত বিনিময় কৰাৰ সুবিধা দিয়াটো উচিত।.
3. **সাফল্য ঃ** সামগ্ৰিকতাই এইটো নুবুজায় যে সকলো শিকাৰুৱে একেধৰণৰ সাফল্য লাভ কৰিব। এই প্ৰক্ৰিয়াত সাফল্যৰ অৰ্থ হ'ল সকলো ল'ৰা-ছোৱালীয়ে নিজৰ নিজৰ বিদ্যায়তনিক আৰু অন্যান্য গুণসমূহ বিভিন্ন প্ৰেক্ষাপটত প্ৰদৰ্শন কৰাৰ সুবিধা পোৱা। মাথো এটা আনুষ্ঠানিক পৰীক্ষা পাতি তেওঁলোকৰ সাফল্যৰ হিচাপ লোৱা কথাটো সামগ্ৰিকতাৰ আওতাত নপৰে। ছাত্ৰ-ছাত্ৰীৰ বিশেষ গুণসমূহ প্ৰদৰ্শন কৰি সমাজৰ প্ৰশংসা লোৱাত শিক্ষকসকলে আগভাগ ল'ব লাগিব।

চিত্ৰ (২) য়ে এনেকুৱা এটা কাৰ্য যিটোৱে ব্যক্তি বা গোটক সেই কাৰ্যৰ পৰা আতৰি থাকিবলৈ বাধ্য কৰাইছে।




*"Everybody is a genius. But if you judge a fish by its ability to climb a tree, it will live its whole life believing that it is stupid."*

*-Albert Einstein*

চিত্ৰ (২) ঃ আপুনি এনেকুৱা এটা কাৰ্য চিনাক্ত কৰক যিয়ে সকলোৰে অন্তৰ্ভুক্তি নিশ্চিত কৰে।

সকলোৰেই কোনো এক বিশেষ গুণৰ অধিকাৰী। যদি আপুনি এডাল গছ বগাবলৈ দি মাছৰ যোগ্যতা নিৰূপণ কৰিবলৈ যায় তেতিয়াহ'লে মাছৰ বাকী জীৱনক এক মুৰ্খ কৰ্মৰ মাজেৰে অতিবাহিত কৰিবলৈ এৰি দিয়াৰ দৰে হ'ব। এলবাৰ্ট আইনষ্টাইন

উল্লিখিত চিত্ৰখনৰ প্ৰাণীবোৰ ভিন্ন প্ৰজাতিৰ। আপোনাৰ শ্ৰেণীতো জাতি, জনজাতি, ভাষা, লিংগ, বৰ্ণ, শাৰীৰিক সক্ষমতা আদি ভেদে বেলেগ বেলেগ ল'ৰা-ছোৱালী থাকে। শিক্ষক হিচাপে আপুনি তেওঁলোকৰ ভিন্নতাসমূহ চিনাক্ত কৰি এনে কিছুমান কাৰ্য দিব লাগিব যিয়ে তেওঁলোকৰ নিজ নিজ পাৰদৰ্শিতা প্ৰদৰ্শনত সহায়ক হয়। চিত্ৰত এইটো স্পষ্ট যে কোনটো প্ৰাণীয়ে নিৰূপিত কামটোত কৃতকাৰ্য হ'ব। আপোনাৰ শ্ৰেণীকোঠাটোও বিভিন্ন ধৰণৰ পৰা ছোৱালীৰ সমষ্টি। সেয়েহে শিক্ষক হিচাপে আপুনি এনে কাৰ্যৰ অৱতাৰণ কৰা উচিত যিটো প্ৰতিজনকে কৃতকাৰ্য হোৱাত সহায় কৰে।

এনেকুৱা কথা নহয় যে কিছুমান ল'ৰা-ছোৱালী অকল বিদ্যায়তিক কামৰ ক্ষেত্ৰতে পিছ পৰা। বিদ্যালয়ৰ পৰিৱেশত আৰু কিছুমান দৃশ্য পৰিলক্ষিত হয়, যেনে— কিছুসংখ্যক বিশেষ ধৰণৰ ল'ৰা-ছোৱালীয়ে প্ৰস্ৰাৱগাৰগ্ৰশৌচাগাৰৰ ব্যৱহাৰ, খোৱাপানীৰ ব্যৱহাৰ আদিৰ ক্ষেত্ৰতো অপ্ৰয়োজনীয়ভাৱে সম্পন্ন কৰে। এনেধৰণৰ কাৰ্যই সেই ধৰণৰ ল'ৰা-ছোৱালীক ওপৰত অনাহক চাপৰ সৃষ্টি কৰাৰ লগতে তেওঁলোকৰ বিদ্যালয়মুখী প্ৰৱণতা শিথিল কৰে। সেয়েহে শিক্ষক হিচাপে এয়া আপোনাৰ দায়িত্ব যাতে বিদ্যালয় চৌহদৰ পৰিৱেশ যথেষ্ট সহজ আৰু স্বাভাৱিক হয় য'ত এনেধৰণৰ ল'ৰা-ছোৱালীৰ বাবে প্ৰয়োজন হোৱা অতিৰিক্ত সহায় বা অৱলম্বনৰ বাবে সকলো সাজু থাকে।

## আপোনাৰ বিদ্যালয়ত সামগ্ৰিক শিক্ষাৰ পৰিৱেশ গঢ়াৰ উদ্দেশ্যেৰে এখন আলোচনা সভা অনুষ্ঠিত কৰক। (Activity 1: Starting a conversation about the implications of inclusion on practice)

ওপৰৰ উল্লিখিত প্ৰসংগ আদিৰ সামগ্ৰিকতাৰ ধাৰণা আৰু চিত্ৰ নং ৮ৰ কাৰ্টুনখনৰ ওপৰত আলোকপাত কৰক। আপোনাৰ সহকৰ্মীসকলৰ লগত সামগ্ৰিক শিক্ষাৰ ধাৰণাৰ অৱতাৰণা কৰাৰ ক্ষেত্ৰত কেনেধৰণে আপুনি এই সমল দুবিধ ব্যৱহাৰ কৰিআলোচনাৰ বাবে সহকৰ্মীসকলে আগবঢ়োৱা সুযোগ সুবিধাসমূহ বিবেচনা কৰক। যেনে ঃ

- আপোনাৰ বিদ্যালয় প্ৰসংগত
- কোনো বিশেষ বিষয়ৰ প্ৰসংগত
- প্ৰচলিত শিকন শিক্ষণ প্ৰক্ৰি য়া প্ৰসংগত (মূল্যায়ন সমন্বিতে)।

### আলোচনা (Discussion)

আমি নিশ্চয় এইটো অনুভৱ কৰিব পাৰো যে বৰ্তমানৰ শিক্ষণ ব্যৱস্থাটো এটা সামগ্ৰিক শিকন পৰিৱেশেৰে সংযুক্ত হওঁক যিয়ে এটা শ্ৰেণীকোঠাৰ যাৱতীয় প্ৰয়োজনসমূহ পূৰ কৰিব পাৰে আৰু ছাত্ৰ-ছাত্ৰীসকলে সক্ৰি য়ভাৱে নিজস্ব সম্ভাৱনীয়তাৰে শিকন আয়ত্ব কৰা প্ৰক্ৰি য়াক ত্বৰান্বিত কৰিব পাৰে। উদাহৰণস্বৰূপে এই ক্ষেত্ৰত এইটো অসম্ভৱ নহয় যে আমি সকলো ছাত্ৰ-ছাত্ৰীয়ে পাঠ্যপুথিৰ আলমত চূড়ান্ত লিখিত পৰীক্ষাত অৱতীৰ্ণ হ'ব পৰাকৈ এখন পাঠ্যত্ৰ মৰ পৰিকল্পনা কৰিব পাৰে। যিয়ে বিদ্যালয়ত সামগ্ৰিক পৰিৱেশৰ সৃষ্টি কৰিব পাৰে আৰু ছাত্ৰ-ছাত্ৰীৰ নিজস্ব সম্ভাৱনাসমূহৰ বিকাশত সহায় হয়।

উল্লিখিত ত্ৰি য়াকলাপটোৰ ওপৰত আপুনি আপোনাৰ নিজস্ব প্ৰতিফলন এনেদৰে ঘটাব পাৰে—কিদৰে কিছুসংখ্যক ছাত্ৰ-ছাত্ৰীৰ বাবে সহায়ক হোৱাকৈ এটা বিশেষ বিষয়ৰ পাঠ্যপুথিত সামগ্ৰিক চিন্তাৰ অৱলোকন ঘটাব পৰা কিছু দিশ বা সমল সন্নিবিষ্ট হৈ আছে অথবা এনে কিছুমান ঋণাত্মক কাৰক আছে যিয়ে সেইসকল ছাত্ৰ-ছাত্ৰীৰ বাবে পাঠ্যত্ৰ মৰ অনুসৰণ কৰাত তান্তৰায়ৰ সৃষ্টি কৰিছে।

আপুনি যিয়েই নাভাৱক কিয়, এই সমূলসমূহে এটা আলোচনা আৰম্ভ কৰাৰ বাট উন্মোচন কৰে— যিয়ে শ্ৰেণীকোঠা আৰু বিদ্যালয় প্ৰাংগণত শিক্ষকসকলৰ সামগ্ৰিক আচৰণ আৰু কাৰ্যকলাপ নিৰূপিত কৰিব পাৰে। এনে কৰাৰ ফলত আপোনাৰ কিছুসংখ্যক সহকৰ্মী শিক্ষক- যিসকলৰ সামগ্ৰিক শিক্ষাৰ ধাৰণাটো স্পষ্ট বা শুদ্ধ নহয় তেওঁলোক প্ৰভাৱিত হ'ব। এনে দিশত কোনো ব্যক্তিগত অভিজ্ঞতা নথকা ব্যক্তিয়ে অভিজ্ঞতাপুষ্ট লোকৰ পৰা ধাৰণা ল'ব পাৰে আৰু নিজৰ মাজত এটা সামগ্ৰিক শিক্ষাৰ পৰিবেশৰ ধাৰণা অনুভৱ কৰিব পাৰে। এনে ধৰণৰ অভিজ্ঞতা যোগাত্মক আচৰণ আৰু বি শ্বাস গঢ়াৰ ক্ষেত্ৰত যথেষ্ট শক্তিশালী আহিলা হিচাপে বিবেচিত হয়।

এতিয়া ত্ৰি য়াকলাপ ৮ৰ জৰিয়তে আপোনাৰ বিদ্যালয়ত সামগ্ৰিক শিক্ষাৰ পৰিৱেশ ৰচনাৰ ক্ষেত্ৰত কিদৰে লাভাবান্বিত হয় চেষ্টা কৰি চাওঁক

## ক্রি য়া-কলাপ ২ ঃ ব্যক্তি গত অভিজ্ঞতাৰ ব্যৱহাৰ (Activity 2: Using personal experience)

ব্যক্তিগত অভিজ্ঞতাৰ ব্যৱহাৰ আপোনাৰ ছাত্ৰ জীৱনৰ এনেকুৱা এটা সময়ৰ কথা মনলৈ আনক য'ত আপোনাৰ নিজৰ তথা ঘনিষ্ঠ সহপাঠীৰ মাজত থকা কিছুমান অসামঞ্জস্য (জাতি, বৰ্ণ, ভাষা, শিক্ষা, লিংগ আদি ভেদে) আপোনাৰ সেই সময়ৰ অভিজ্ঞতাত বিৰূপ প্ৰভাৱ পেলাইছিল বা তেনেধৰণৰ কোনো প্ৰভাৱ পেলোৱা নাছিল। নিম্নিলিখিত প্ৰ.াসমূহৰ উত্তৰ দিয়ক—

- সেই অভিজ্ঞতই কেনেদৰে আপোনাৰ মনত ইজনে আনজনৰ প্ৰতি কৰা অৱহেলা বা বৈষম্যমূলক আচৰণৰ অনুভূতি জগাইছিল?
- তেনেকুৱা পৰিস্থিতিত আপুনি কেনেধৰণে মোকাবিলা কৰিছিল?
- আপুনি কেনেধৰণৰ সহায়ৰ অনুভৱ কৰিছিল?
- আপোনাৰ উত্তৰসমূহে বিদ্যালয়ত সহপাঠীৰ দ্বাৰা উপেক্ষিত আৰু বৈষম্যৰ বলি হোৱা ছাত্ৰ-ছাত্ৰীৰ বিষয়ে কেনেধৰণৰ অভিমত দাঙি ধৰে?

## আলোচনা (Discussion)

আপুনি হয়তো অনুভৱ কৰে যে আপোনাৰ ব্যক্তিগত জীৱনত এনেধৰণৰ সামান্য বিষমতা বা অৱহেলাৰ অভিজ্ঞতা আছে অথবা আপুনি আনৰ দ্বাৰা অৱহেলিত নোহোৱালৈকে এনেধৰণৰ চিন্তা মনলৈ নানে আৰু আপুনি আপোনাৰ প্ৰতি কৰা কিছুমান বিষমতা বা অনুচিত ব্যৱহাৰ স্বাভাৱিক নিয়ম বুলি মানি লৈছে। যিয়েই নহওঁক, শিক্ষক হিচাপে কিছুমান ছাত্ৰ-ছাত্ৰীৰ প্ৰতি কৰা অন্যায় আচৰণসমূহ আপুনি নিশ্চিতভাৱে প্ৰত্যক্ষ কৰিব অথবা পৰোক্ষভাৱে তেওঁলোকৰ প্ৰতি কৰা এনে কাৰ্যৰ লগত সহযোগিতা কৰিব। পৰৱৰ্তী পৰ্যায়ত হলেওঁ শুভবুদ্ধিৰ উদ্ৰেক হ'ব। সম্ভবতঃ আপুনি হতাশা, অন্যায় বা আপোনাৰ অদূৰদৰ্শিতাক লৈ বিমৰ্ষ হ'ব।

বিদ্যালয়ত কোনো ছাত্ৰৰ বিৰুদ্ধে হোৱা অন্যায় বা বৈষম্যৰ ক্ষেত্ৰত ছাত্ৰজনে এই বিষয়ে আপোনাৰ ওচৰ চাপিবলৈ যথেষ্ট কঠিনতাৰ সন্মুখীন হয় য'ত আপুনি নিজেও অনুভৱ কৰে যে এনে হোৱাটো সমীচিন নহয়। হ'ব পাৰে তেনে অভিজ্ঞতাই আপোনাক কিছু নিৰাশ কৰিব পাৰে, কিয়নো আপুনি আপোনাক আওকান কৰা বা উচিত ব্যক্তি হিচাপে গণ্য কৰা নাই বুলি অনুভৱ কৰিব পাৰে। বিদ্যালয়ত এনে এজন শিক থাকিব পাৰে যিজনে শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীৰ সকলোধৰণৰ অনুশালণত সমানে সহযোগ কৰে। হয়তো আপুনি সেই শিক্ষকজণি ছাত্ৰ-ছাত্ৰীৰ পাঠৰ ওপৰত গুৰুত্ব দিয়া বুলিহে ভাৱে ঠিক যেনেদৰে এটা পৰিয়ালে নিজৰ ল'ৰা-ছোৱালীক অকল পঢ়াতে ব্যস্ত ৰখাৰ বাবে উৎসাহিত কৰে। প্ৰকৃততে এনে প্ৰচেষ্টাই ছাত্ৰ-ছাত্ৰীক কৃতকাৰ্য হোৱাত সমল নজগায় যদিহে তেওঁলোকৰ বাবে উপাদেয় বা মনোগ্ৰাহী নহয়।

এখন বিদ্যালয়ৰ আৰ্বতৃত বহুধৰণৰ বিষমতা পৰিলক্ষিত হ'ব পাৰে যাক লৈ বিদ্যালয়ৰ জ্যেষ্ঠ দলপতি বা অন্যান্য শিক্ষকসকল সতৰ্ক হোৱাটো উচিত। এজন ব্যক্তিৰ সচেতন বা অসচেতন পক্ষপাতমূলক চিন্তাই আন কাৰোবাৰ প্ৰতি বৈষম্য সৃষ্টিত অৰিহণা যোগায়। উদাহৰণস্বৰূপে বিদ্যালয়ত এনেকুৱা এটা ঘটনা হ'ব পাৰে যে উপযুক্ত যোগ্যতা থকা স্বত্বেও ছাত্ৰ এজনক শিক্ষকে বিদ্যালয় ক্ৰি কেট টীমত স্থান দিয়া নাই। ইয়াৰ কাৰণ এনেকুৱাও হ'ব পাৰে যে, শিক্ষক আৰু ছাত্ৰজন একেখন গাঁৱৰে হোৱা বাবে তেওঁক দলত ললে আনবোৰে তেওঁক পক্ষপাতিত্ব কৰা বুলি ভাৱিব পাৰে। সেয়েহে তেওঁ ছাত্ৰজনক দলত স্থান দিয়া নাই ।

কিন্তু বিদ্যালয় এখনত পৰোক্ষভাৱে এনে বহুত অন্যায় বা বৈষম্যৰ বীজ বিয়পি থাকে যিয়ে বিদ্যালয়ৰ বৌদ্ধিক বাতাৱৰণত গুৰুত্বভাৱে আঘাত কৰে। বিদ্যালয়ৰ সাধাৰণতে গতানুগতিক প্ৰক্ৰি য়াৰ ক্ষেত্ৰত অনুষ্ঠানধৰ্মী বৈষম্যৰ বিষয়টো প্ৰায়ে প্ৰ.াতীত হৈ পৰে। উদাহৰণস্বৰূপে আমাৰ মাজত এইটো এটা সাধাৰণ বি.াসযোগ্য ধাৰণা যে ল'ৰাৰ তুলনাত ছোৱালীসকল অংক আৰু বিজ্ঞানত কেচা যদিওঁবা ছোৱালীবোৰক বাধ্যতামূলক পাঠত্ৰমৰ এই বিষয় দুটাৰ ওপৰত ওপৰঞ্চি চেষ্টা কৰিবলৈ উৎসাহিত কৰাও নহয় তেতিয়াহলেও

এয়া এক উদ্ভত মিছা ধাৰণা। এই ক্ষেত্ৰত আন এটা উদাহৰণ হয়তো আপুনি দাঙি ধৰিব পাৰে। কোনো এক বিশেষ জনগোষ্ঠীৰ ল'ৰা-ছোৱালীযিসকল মাথো অভ্যস্ত হাতেৰে কৰা কামত বা কলা-কশলী তেনেবিলাক ল'ৰা-ছোৱালীৰ সাহিত্য আৰু কলাৰ প্ৰতি থকা সাধাৰণ ধাউতি স্বত্তেও এজন কবি বা শিল্পী হিচাপে সমাজত তেওঁলোকে যথোচি পৰিচিতি বা প্ৰতিপালন নাপায়। এনে ধাৰণাৰ ওপৰত ভিত্তি কৰিয়ে অনুষ্ঠানধৰ্মী বৈষম্যসমূহ বৰ্তি থাকে। অৰ্থাৎ এই চিন্তাই সকলোবোৰ কাম-কাজ, নীতি-নিয়ম ঠিকেই চলি আছে, ইয়াৰ পৰিবৰ্তন অনাৰ প্ৰয়োজন নাই বুলি পোষকতা কৰে।

এজন দলপতি হিচাপে আপুনি আপোনাৰ অনুষ্ঠানত বৰ্তি থকা এনেধৰণৰ বৈষম্য অন্তৰায়সমূহ আতঁৰ কৰিবলৈ চেষ্টা কৰিব লাগিব। আপোনাৰ এনে কাৰ্যই সকলোবোৰ ছাত্ৰ-ছাত্ৰীৰ শিকন ফলাফলত সমানে প্ৰভাৱ পেলাব। নিয়মৰ বিৰুদ্ধে যোৱাটো বৰ সহজ কাম নহয়। কথাবোৰ অন্যধৰণে কল্পনা কৰিবলৈ চেষ্টা আৰু নিজকে সোধক আপোনাৰ নিজৰ ধাৰণাবোৰ সদৰ্থক হয়নে নহয়? উদাহৰণস্বৰূপে 'ছোৱালীবোৰে অংক কৰিবলৈ ভয় কৰে'—এই ধাৰণাটোকে লওঁক। এতিয়া আপুনি নিজক সুধিব পাৰে—মই যিখিনি পঢ়িলো সেইখিনিয়ে এই ধাৰণাটোয়ে দিয়েনে? মই এনে কোনোবা প্ৰখ্যাত মহিলা গণিতজ্ঞৰ বিষয়ে জানোনে? যদি ছোৱালীসকলক গণিত বা ঐচ্ছিক গণিত পঢ়াৰ বাবে সুবিধাই দিয়া নহয় তেতিয়াহলে তেওঁলোকে নিজৰ পাৰদৰ্শিতা দেখুৱাব কেনেকৈ?

## ত্ৰি য়া-কলাপ ৩ ঃ এক ভিন্ন জীৱনৰ প্ৰৱেশ পথ হিচাপে শিক্ষা (Activity 3: Education as a gateway to a different life)

তলত ভাৰতৰ একাদশ সংখ্যক ৰাষ্ট্ৰপতি ড০ এ পি জে আব্দুল কালামৰ বিষয়ে কিয়দংশ (উইকিপেডিয়াৰ পৰা সংগৃহীত) উল্লেখ কৰা হৈছে। কথাখিনি পঢ়াৰ পিচত আপুনি চিন্তা কৰক-কেনেকৈ আৰ্থ-সামাজিকভাৱে অতি পিচপৰা এটা পৰিয়ালৰ পৰা আহিও঑ তেওঁ এক বিৰল পণ্ডিত্য অৰ্জন কৰিবলৈ সক্ষম হৈছিল? তেওঁ একেৰাহে গ্ৰহণ কৰা শিক্ষা প্ৰত্ৰি য়া ইমানসহজ সাধ্য নাছিল অথবা সদায় তেওঁ কৃতকাৰ্যও হোৱা নাছিল। কিন্তু তেওঁ দেখুৱাইছিল এক বিষ্ময়কৰ স্থিতপ্ৰজ্ঞতা আৰু আত্ম বি{াস যিয়ে দিছিল এক অনণ্য ব্যত্তি ত্বশীল পুৰুষৰ।

> 'আবুল ফকিৰ জয়নাল আবেদিন আব্দুল কালাম (জন্ম ১৫ অক্টোবৰ ১৯৩১] চমুকৈ এ পি জে আব্দুল কালাম বুলি পৰিচিত এজন ভাৰতীয় বৈজ্ঞানিক তথা প্ৰশাসক যিজনে ২০০২ ৰ পৰা ২০০৭ চনলৈ ভাৰতৰ একাদশ সংখ্যক ৰাষ্ট্ৰপতি হিচাপে কাৰ্য নিৰ্বাহ কৰিছিল।.
>
> ১৯৩১ চনৰ ১৫ অক্টোবৰত তামিলনাডুৰ ৰামে{ৰমৰ এটা মুছলমান পৰিয়ালত আব্দুল কালামৰ জন্ম হৈছিল। দেউতাক জয়নাল আবেদিন আছিল এজন নাৱৰীয়া আৰু মাক আসিআম্মা এগৰাকী গৃহিনী অতি দৰিদ্ৰতাৰ মাজত ডাঙৰ হোৱা কালামে সৰুকালৰ পৰাই আৰম্ভ কৰিছিল পৰিয়ালক সকাহ দিয়া কাম। প্ৰাথমিক শিক্ষা সাং কৰিয়ে তেওঁ বাতৰি কাকত যোগনিয়াৰ কামত নিযুক্ত হৈছিল আৰু পৰিয়ালৰ আৰ্জনত সহায় কৰিছিল। স্কুল পৰ্যায়ত যদিওঁ তেওঁ আছিল মধ্যমীয়া ধৰণৰ ছাত্ৰ, শিক্ষকসকলে কিন্তু তেওঁক এজন উজ্জ্বল, কষ্টসহিষ্ণুকাৰী ছাত্ৰ হিচাপে বিবেচনা কৰিছিল কাৰণ শিকাৰ প্ৰতি বিশেষকৈ অংকৰ প্ৰতি দুৰ্বাৰ ধাউতি থকা ল'ৰাজনে বেছিখিনি সময় অধ্যয়নত ব্যস্ত হৈ আছিল।
>
> ৰামে{ৰমত হাইস্কুলীয়া শিক্ষা শেষ কৰি কালাম ভৰ্তি হৈছিল টিৰুচিৰাপল্লাৰ তদানীন্তন মাদ্ৰাজ বি{বিদ্যালয়ৰ অৰ্ন্তভুক্ত চেইণ্ট যোচেফ কলেজত। এই কলেজখনৰ পৰাই কালামে 1954 চনত পদাৰ্থ বিজ্ঞানত স্নাতক হিচাপে উত্তীৰ্ণ হয়। কলেজীয়া জীৱনৰ গোটেই সময়ছোৱা অৰ্থাৎ আৰম্ভনিৰ পৰা নাছিল আৰু পিচলৈ মূল্যবান চাৰিটা বছৰ অথলে যোৱা বুলি তেওঁ অনুশোচনাতো ভুগিছিল। পৰবৰ্তী পৰ্যায়ত অৰ্থাৎ 1955 চনত তেওঁ মাদ্ৰাজলৈ যায় আৰু বৈমানিক অভিযন্ত খত (Aerospace-space engineering) ৰ পাঠ্যত্ৰ মত নাম ভৰ্ত্তি কৰে।

> ২০০২ চনত প্ৰকাশ পোৱা কালামৰ আত্মজীৱনীমূলক গ্ৰন্থ ‘উইংছ অব ফায়াৰ’ত তেওঁ নিজৰ বিষয়ে এনেদৰে উল্লেখ কৰিছে — ‘মই স্বাভাৱিকভাৱেই মোৰ দেউতাৰ পৰাই সাধুতা আৰু আত্মসংযম শিক্ষা পাইছো আৰু মাৰ পৰাই শিকিছো সততা আৰু গভীৰ দয়াৰ ওপৰত বি ৃাস ৰাখিবলৈ। মোৰ আন তিনিজন ভাই-ভনীও একে শিক্ষাৰেই অনুপ্ৰাণিত।’
>
> কালামৰ বিষয়ে উদ্ধৃত কথাখিনি পঢ়াৰ পিছত তলৰ প্ৰ ৃসমূহ মন কৰক।
>
> - এই গুণসমূহ ক’ব পৰা আহে আৰু কেনেদৰে প্ৰতিপালিত হয় বুলি আপুনি ভাবে? কঠোৰ অধ্যয়ন কৰাৰ মানসিকতা গঢ়িবলৈ কালামৰ জীৱনৰ কোনখিনিয়ে আমাক অনুপ্ৰাণিত কৰিব পাৰে? কালামৰ নিজৰ পৰিয়াল, সমাজ আৰু শিক্ষা জীৱনৰ কথা এবাৰ ভাবি চাওকচোন?
> - আপোনাৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু বাকী সহকৰ্মীসকলৰ মাজত সামগ্ৰিক শিক্ষাৰ প্ৰসাৰ আৰু ইয়াৰ দ্বাৰা অনুপ্ৰাণিত হ’বলৈ আপুনি কালামৰ দৰে সমাজৰ আন মানুহৰ সফল জীৱনৰ উদাহৰণ দিব পাৰিবনে? হয়তো এনে উদাহৰণে বিভিন্ন পৰিৱেশৰ আপোনাৰ বিদ্যালয়লৈ পৰা অহা শিক্ষাৰ্থীসকলক স্কুলীয়া জীৱনৰ পিছৰ সময়ছোৱাত নিজ নিজ পচন্দৰ ক্ষেত্ৰসমূহত সাফল্য লাভ কৰি সমাজত পৰিচিত হ’বলৈ অনুপ্ৰাণিত কৰিব বুলি নেভাবেনে? বিদ্যালয়ৰ কেতবোৰ ছাত্ৰ-ছাত্ৰী বা সহকৰ্মীৰ আচৰণ আৰু ব্যৱহাৰত যোগাত্মক পৰিবৰ্তন আনিবলৈ এনেধৰণৰ আদৰ্শ জীৱনৰ উদাহৰণ কেনেদৰে ব্যৱহাৰ কৰিব পাৰে?
>
> ওপৰৰ উদ্ধৃতিখিনিৰ পৰা আমি উমান পাও কি পৰিৱেশত থাকি কালামে তেওঁৰ পিতৃ-মাতৃৰ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হোৱাৰ কথা বৰ্ণনা কৰিছে। লগতে তেওঁ নিজৰ ভাই-ভনীসকলেও একে শিক্ষাৰে শিক্ষিত বুলি উল্লেখ কৰিছে। য’ত তেওঁলোকৰ সম্পৰ্কীয় আন আন পৰিয়ালসমূহৰ অভিভাৱকসকলে নিজ সন্তানৰ উচ্চ শিক্ষাৰে শিক্ষিত কৰাৰ কথা হ’ব পাৰে মাক-দেউতাকৰ বাহিৰেও তেওঁলোকৰ সমাজৰ আন কোনোবা ব্যক্তিয়ে কালামক উৎসাহিত কৰিছিল। হয়তো তেওঁলোকে সামানভাৱে হ’লে আভাস পাইছিল এক কষ্টকৰ পটভূমিৰ পৰা গৈ এই ছাত্ৰজনে এদিন সাফল্যৰ শিখৰত উপনীত হ’ব। হয়তো বা কালাম ভাৰতৰ দৰে এখন বিশাল দেশৰ ৰাষ্ট্ৰপতি হোৱাৰ ইংগিতো তেওঁলোকে তেতিয়াই অনুভৱ কৰিছিল। এইটো অনস্বীকাৰ্য শিক্ষা জীৱনেই কালামৰ সাফল্যৰ একমাত্ৰ চালিকা শক্তি। নিশ্চয় কালাম সেইসকল শিক্ষকৰ প্ৰতি শ্ৰদ্ধাশীল, যিসকলে তেওঁৰ ঘৰুৱা স্থিতিক আওকান কৰি অধ্যয়নত ৰত হ’বলৈ তেওঁক উৎসাহিত কৰিছিল। হয়তোবা তেওঁৰ বিদ্যালয়ৰ পৰিৱেশেই এনে আছিল য’ত প্ৰতিগৰাকী শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ সাফল্যত সমানে গুৰুত্ব দিছিল যাতে পৰৱৰ্তী পৰ্যায়ত তেওঁলোক নিজ নিজ ক্ষেত্ৰত প্ৰতিষ্ঠিত হোৱাত সফল হয়।

ব্যক্তিৰ আচৰণ বা মনোভাৱত প্ৰভাৱ পেলাবলৈ বাস্তৱ ঘটনা সম্বলিত অধ্যয়নৰ ব্যৱহাৰে এক উৎকৃষ্ট আহিলা হিচাপে বিবেচিত। শ্ৰেণীকোঠাত এনে উদাহৰণৰ উপস্থাপন, পাঠ্যত্ৰমৰ বিষয় হিচাপে এনে উদাহৰণৰ অন্তৰ্ভুক্তি আৰু ব্যৱহাৰ, সেইসকল বিৰল ব্যক্তিৰ জীৱন আৰু অশেষ বাধা অতিত্ৰম কৰি অৰ্জ কৃতিত্বৰ বিষয়ে জনাবলৈ কোনো বিশিষ্ট ব্যক্তিক আমন্ত্ৰণ আদিৰ জৰিয়তে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক তথা অন্যান্য ব্যক্তিৰ মাজত সামগ্ৰিক শিক্ষাৰ প্ৰসাৰণ ঘটাব পাৰি।

## ৩ শিকন ফলাফল উন্নত কৰাৰ বাবে গুৰুত্ব দিবলগীয়া কাৰ্য (3 Prioritising actions to improve learning outcomes)

বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ শিকনৰ বেলিকা বিভিন্ন ধৰণৰ কাৰকে বিৰূপ প্ৰভাৱ পেলায়। উদাহৰণস্বৰূপে শ্ৰেণীত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি, ইউনিফৰ্ম যোগাৰ কৰাৰ সামৰ্থ্য, শৌচাগাৰ /প্ৰস্ৰাৱগাৰৰ সীমিত ব্যৱস্থা, ঘৰৰ পৰা বিদ্যালয়ৰ দূৰত্ব আদি কাৰক উল্লেখযোগ্য। অন্যহাতে শিক্ষকৰ নেতিবাচক আচৰণৰ লগতে শিক্ষণ শিকন সামগ্ৰীৰ ব্যৱহাৰ, পাঠৰ বৰ্ণনা আদিয়েও শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ শিকাৰ আগ্ৰহক নিৰাশ কৰে।

শিক্ষক হিচাপে আপুনি এক বিশেষ দিশত সজাগ হ’ব লাগে য’ত কিছুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে নিজক আনৰ তুলনাত কিছু বেলেগ বুলি অনুভৱ কৰে আৰু বিদ্যালয়ৰ উপযুক্ত ছাত্ৰ-ছাত্ৰীৰ মাজত অন্তৰ্ভুক্ত হ’বলৈ তেওঁলোকে কিছুমান প্ৰয়োজনীয়তা অনুভৱ কৰে। নোটবহীত

পৰিস্কাৰকৈ লিখা, চাৰি মিটাৰ দূৰত্বৰ পৰা বোৰ্ডৰ লিখনিসমূহ পঢ়া অথবা একেৰাহে বহু সময় ধৰি বহি থকা আৰু শুনা আদি ধৰণৰ কাৰ্যসমূহ এই ক্ষেত্ৰত উল্লেখ কৰিব পাৰি। এটা সহজ পৰিস্থিতিৰ পৰা কঠিনতম পৰিস্থিতিলৈ অগ্ৰসৰ হোৱাৰ তাগিদাত সেই সকল ছাত্ৰ-ছাত্ৰীসকলে এনে কাৰ্যসমূহৰ প্ৰতি বিপুল সঁহাৰি জনায়। সামান্য চেষ্টাতে কিছুমান ছাত্ৰ-ছাত্ৰীয়ে এনে তাগিদাসমূহ পূৰণ কৰিব পাৰে। আনহাতে কিছুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে পিতৃ-মাতৃ তথা শিক্ষকৰ সহযোগত এনে কামসমূহ কৰিবলৈ সমৰ্থ হয়।

এইটো স্পষ্ট যে বিদ্যালয়সমূহে অনিবাৰ্যভাৱে এনেধৰণৰ নিয়ম আৰু কঠিন স্থিতিৰ পৰা আঁতৰি থাকিব বিচাৰে। এই ক্ষেত্ৰত ৰাষ্ট্ৰীয় পাঠ্যত্ৰ ম ৰূপৰেখাই বিদ্যালয় আৰু শিক্ষকৰ ওপৰত এনে পৰিৱৰ্তন অনাৰ দায়িত্ব ন্যস্ত কৰি কৈছে—
বিদ্যালয়ত সকলোৰে বাবে সমান শিক্ষাৰ বিকাশৰ যথোচিত কাৰ্য ব্যৱস্থাই সকলো শিকাৰুকে নিজৰ প্ৰাপ্য আদায় কৰিবলৈ আৰু সমাজ তথা দেশলৈ অৰিহণা যোগোৱাৰ বাবে উপযুক্ত ভাৱে গঢ় দিয়াত সহায় কৰে। সেইদৰে সাধাৰণ দৃষ্টিত পিছ হুহকি থকা শিকাৰু বিশেষকৈ ছোৱালীসকলক নিজৰ অধিকাৰ সাব্যস্ত কৰাৰ প্ৰতি আৰু সমাজত সত্ৰি য় অংশগ্ৰহণ কৰাৰ প্ৰতি আগ্ৰহী কৰিবলৈ তুলিবলৈ শিক্ষাই হৈছে একমাত্ৰ আহিলা যিয়ে তেওঁলোকক নিজৰ অধিকাৰৰ প্ৰতি সজাগ হৈ এক স্বয়ংসম্পূৰ্ণ ব্যত্তি হিচাপে পৰিচিত হ'বলৈ সক্ষম কৰি তোলে। শিক্ষক হিচাপে আপুনি বিদ্যালয়ত বিভিন্ন ধৰণৰ ছাত্ৰ-ছাত্ৰীৰ মাজত সম্পৰ্ক স্থাপন আৰু তেওঁলোকে শিকন সুবিধাসমূহক বিভিন্নধৰণে গ্ৰহণ কৰা প্ৰত্ৰি য়াক পৰ্যালোচনা কৰাটো অতি প্ৰয়োজন। এইটো উপলব্ধিৰ বিষয় যে স্পৃহা আৰু নিয়মিত অনুশীলনৰ জৰিয়তে কেনেদৰে কিছুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অতি কম সময়ত কিছুমান বিষয় আয়ত্ব কৰি লয় যিয়ে শিক্ষকৰ শিক্ষণ পদ্ধতিকে সলনি কৰি দিয়ে। এটা ভাল শিক্ষণ কলাৰ কৌশল অকল তথ্যৰ যোগানতে সীমাবদ্ধ নাথাকে যাৰ ফলস্বৰূপে একে পৰ্যায়ৰ ফলাফল প্ৰদৰ্শনত শিকাৰুসকল সমৰ্থবান হয়।

## ত্ৰি য়া-কলাপ ৪ ঃ সমান শিকন সুবিধাৰ পৰ্যালোচনা (Activity 4: Analysis of equality of access to learning)

তলৰ তালিকাখন মন কৰক। তালিকাখনত শ্ৰীযুত শৰ্মাৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত বিভিন্নতা আৰু এনে পৰিস্থিতিত কেনেদৰে তেওঁলোকৰ ভিন্ন পৰ্যায়ৰ শিকন অভিজ্ঞতাৰ মাজত সম্পৰ্ক স্থাপন কৰিব পাৰি তাৰ ওপৰত আলোকপাত কৰা হৈছে। শ্ৰীযুত শৰ্মাই ছাত্ৰ-ছাত্ৰীৰ মাজত থকা বিভিন্নতাসমূহ, বিদ্যালয়ত কিমান সংখ্যক ছাত্ৰ-ছাত্ৰী সাঙোৰ খাই আছে যিয়ে Articles el al's ৰ মাত্ৰা অনুসৰি সামগ্ৰিক শিক্ষাক প্ৰভাৱিত কৰিব পাৰে তাক চিনাত্ত কৰিব বিচাৰিছে। অনস্বীকাৰ্য যে ছাত্ৰ-ছাত্ৰীৰ শিক্ষণ কাৰ্য অকল বিদ্যালয়তে সীমিত নহয় ঘৰুৱা পৰিৱেশেও তেওঁলোকৰ শিক্ষণৰ ওপৰত প্ৰভাৱ পেলায়। এই ক্ষেত্ৰত শ্ৰীযুত শৰ্মাই আপোনাৰ বিদ্যালয়ৰ বিকাশৰ অৰ্থে ব্যৱহৃত তথ্য শীৰ্ষক গোটটোৰ ভিত্তিত নিজে সংগ্ৰহ কৰা তথ্যসমূহ এই পৰ্যালোচনাত ব্যৱহাৰ কৰিছে।

তালিকা ৪ ঃ নিজ বিদ্যালয়ত সমানতাৰ ওপৰত শ্ৰীযুত শৰ্মাৰ প্ৰতিফল (অনুসূচিত জাতি-জনজাতি)

| ক | খ | গ | ঘ | ঙ |
|---|---|---|---|---|
| | বিভিন্নতাৰ প্ৰকাৰ | ছাত্ৰ-ছাত্ৰীৰ শতকৰা | বিদ্যালয় আৰু ঘৰত ছাত্ৰ-ছাত্ৰীৰ সুবিধা, গ্ৰহণ, অংশগ্ৰহণ আৰু শিক্ষণ সাফল্যৰ ভিত্তিত হিচাপ নিৰ্ধাৰণ | কাৰ্য কৰা, হস্তক্ষেপ কৰা অথবা সহকৰ্মীৰ |
| 1 | ল'ৰা | 80 | জ্ঝ্ঞ শতাংশ ছাত্ৰক তেওঁলোকৰ অৰ্জন ক্ষমতাৰ বিকাশ আৰু বৃদ্ধিৰ বাবে সুবিধা প্ৰদান কৰা হয়। এনে ছাত্ৰই সদায় সমুখৰ বেঞ্চত বহে আৰু পুৰুষ শিক্ষকৰ প্ৰতি দেখুৱায়। | |
| 2 | ছোৱালী | 20 | ঞ্ঝ্ঞ শতাংশ ছাত্ৰীৰ ক্ষেত্ৰত দেখা যায় যে তেওঁলোকৰ শিক্ষাৰ নামত যিমান বিনিয়োগ হয় সেই মতে পৰিয়ালক তেওঁলোকে সহায় কৰিব নোৱাৰে। তেওঁলোকে নিয়মীতভাৱে শ্ৰেণীত উপস্থিত নাথাকে | |
| 3 | শিক্ষণত অক্ষম | 3 | চ্ঝ্ঞ শতাংশ এনেধৰণৰ ল'ৰা-ছোৱালীৰ ক্ষেত্ৰত শিক্ষকৰ শিক্ষণ কৌশল নিৰূপণ কৰিবলৈ পাৰদৰ্শী ব্যক্তিৰ অভাৱ। তেওঁলোকৰ সমস্যাবোৰ বহুদেৰীলৈকে সহজসাধ্য বা ধৰিব পৰা নাযায় অথবা পিতৃ- | |
| 4 | আৰ্থ-সামাজিকভাৱে উচ্চ স্তৰ | 15 | ছ্ঝ্ঞ শতাংশ পৰিয়ালে নিজৰ ল'ৰা-ছোৱালীৰ লিখা-পঢ়াৰ বাবে ঘৰুৱা শিক্ষণৰ ব্যৱস্থা কৰে। ছাত্ৰ-ছাত্ৰীসকলে ভৱিষ্যতে পাৰিবাৰিক ব্যৱসায়ত জড়িব হ'ব বুলি ধাৰণা কৰি লয় আৰু শিক্ষণৰ প্ৰতি | |
| 5 | আৰ্থ-সামাজিকভাৱে নিম্ন স্তৰ | 85 | চ্ছ্ঝ্ঞ শতাংশ ল'ৰা-ছোৱালীয়ে লিখা পঢ়াৰ বাবে সামান্য সুবিধা লাভ কৰে। বিদ্যালয় আৰু ঘৰৰ প্ৰতি সহযোগিতাত অনীহা প্ৰদৰ্শন কৰে। উপস্থিতি একেবাৰে কম। পিতৃ-মাতৃৰ সহযোগিতা নাই। শিক্ষণ | |
| 6 | শাৰীৰিকভাৱে অক্ষম | 2 | এনে ল'ৰা-ছোৱালীৰ্ঞ্ঝ্ঞ শতাংশ শিক্ষাই বিনিয়োগ হিচাপে বিবেচিত নহয় কাৰণে তেওঁলোকে ভৱিষ্যতে পৰিয়ালৰ অৰ্জনত সহায় কৰিব নোৱাৰে। শিক্ষণৰ সুবিধা প্ৰদানৰ বাবে বাস্তৱ পৰিৱেশত | |
| 7 | বিদ্যালয়ত ইছলামপন্থী ছাত্ৰ- | 10 | শ্ঝ্ঞ শতাংশ শিক্ষাই মূল্যবোধ সম্পৰ্কীয় যদিও শিল্পকৰ্ম আৰু ধৰ্মীয় শিক্ষাৰ ভিতৰতে সীমাবদ্ধ। এগৰাকী ভাল ঘৈণীয়ে পোৱাৰ তাগিদাতহে ছোৱালী শিক্ষাৰ ওপৰত সামান্যতম গুৰুত্ব দিয়া দেখা | |
| 8 | হিন্দু | 60 | জ্ঝ্ঝ্ঞ শতাংশ ল'ৰাই ছোৱালীৰ তুলনাত পৰিয়ালৰ পৰা উদগণি লাভ কৰে। | |
| 9 | অনুসূচিত জাতি-জনজাতি | 30 | ঘৰুৱা সহায়ৰ অভাৱত চ্ছ্ঝ্ঞ শতাংশ সুবিধা কম। বিদ্যালয় আৰু ঘৰৰ প্ৰতি সহযোগিতাত অনীহা প্ৰদৰ্শন। অপুৰিপষ্টি আৰু শক্তিহীনতাত ভুগে। আত্মসন্মানৰ প্ৰতি অসচেতন। | |

শ্ৰীযুত শৰ্মাৰ টেবুলৰ আৰ্হিত আপুনি আপোনৰ বিদ্যালয়ৰ বাবে শিকন দিনলিপিত ঠিক একেধৰণৰ এখন তালিকা প্ৰস্তুত কৰক (অথবা চ সমলৰ চানেকী ব্যৱহাৰ কৰক)। বিদ্যালয়ৰ সামগ্ৰিক পৰিৱেশত ছাত্ৰ-ছাত্ৰীসকলে কেনেদৰে শিকে আৰু আয়ত্ত কৰে তাক নিশ্চিত কৰিবলৈ এই আৰ্হিটো উপযোগী বুলি বিবেচিত হ'ব পাৰে। অৱশ্যেই এই কাৰ্যত আপোনাৰ সহকৰ্মীৰ সহযোগ লাগিব যাৰ মনত সমানতাৰ ধাৰণা স্পষ্টকৈ থাকিব।

প্ৰথম স্তম্ভত আপুনি আপোনাৰ বিদ্যালয়লৈ অহা ছাত্ৰ-ছাত্ৰীৰ মাজৰ বিভিন্নতাবোৰ পৰ্যবেক্ষণ কৰি অথবা 'বিদ্যালয়ৰ উন্নতিৰ বাবে তথ্যৰ প্ৰয়োগ' শীৰ্ষক গোটৰ পৰা পোৱা তথ্যৰ আধাৰত ভিত্তি কৰি এখন তালিকা প্ৰস্তুত কৰক। এই ক্ষেত্ৰত আপুনি তলত উল্লেখ কৰা ধৰণৰ কাৰকসমূহ বিবেচনা কৰিব পাৰে।

- বিভিন্ন জনগোষ্ঠী
- সম্প্ৰদায়
- আৰ্থ-সামাজিক স্থিতি
- জাতি
- লিংগ
- ভাষা অথবা উপভাষা
- ধৰ্ম আৰু বি ৰাস
- পৰিয়ালৰ আকাৰ আৰু গঠন
- পৰিয়ালৰ শিক্ষাগত ইতিবৃত্ত
- স্বাস্থ্য
- ভৌগোলিক অৱস্থান

আপুনি যদি বিদ্যালয়ৰ উন্নতিৰ বাবে তথ্যৰ প্ৰয়োগ শীৰ্ষক গোটটো পূৰ্ণ কৰিছে তেতিয়াহ'লে খ আৰু গ স্তম্ভ সম্পূৰ্ণ কৰিবলৈ আৰু ঘ স্তম্ভ আৰম্ভ কৰিবলৈ আপুনি সংগ্ৰহ কৰা তথ্যসমূহ ব্যৱহাৰ কৰিব পাৰে। যদি আপুনি এই পাঠটো সম্পূৰ্ণ কৰিছে— প্ৰভেদবোৰৰ ওপৰত আপোনাৰ বিদ্যালয়ৰ উন্নতিৰ কাৰণে স্বীকৃত তথ্যৰ ব্যৱহাৰ, আপুনি স্তম্ভ খ আৰু স্তম্ভ গ সম্পূৰ্ণ কৰিবলৈ ঘ আৰম্ভ কৰিবলৈ সংগ্ৰহ কৰা স্বীকৃত তথ্যবোৰ ব্যৱহাৰ কৰিব পাৰে। কিন্তু আপুনি চিত্ৰখন শেষ কৰোঁতে সাৱধান হোৱা উচিত কিয়নো এই গোটৰ পৰা আপুনি আগলৈ আৰু উদ্ভাৱন কৰিব পাৰে।

স্তম্ভ ঘ য়ে আপোনাক আৰম্ভ কৰিবলৈ সন্মতি দিয়ে কেনেকৈ লগৰীয়াবোৰৰ সকলো বেলেগ দলবোৰ গ্ৰহণ কৰিব, শিকন আৰু ফলাফলত কেনেকৈ অংশগ্ৰহণ কৰিব আদিবোৰ ভাবিবলৈ, এইটো মাত্ৰ আৰম্ভ কৰাৰ পত্ৰি য়া হ'ব আৰু আপুনি আপোনাৰ সহকৰ্মীসকলৰ লগত একেলগে যথেষ্ট সময় লৈ এই কাৰণবিলাক চিনাক্ত কৰাটো প্ৰয়োজন।

স্তম্ভ ই (এতিয়াও শ্ৰীযুত শৰ্মাৰ ধৰণবোৰ সোমোৱা নাই)য়ে আপোনাক আৰম্ভ কৰিবলৈ সহায় কৰিব কেনেকৈ আপোনাৰ বিদ্যালয়ত আৰম্ভণীৰ বিষয়বোৰৰ কাৰণে বেলেগ বেলেগ ভাগবোৰ অন্তৰ্ভুক্ত কৰিবলৈ ভাবিব। এই শেষৰ স্তম্ভটোৱে আপোনাক আপুনি চিন্তিত কৰা বিষয়বোৰত কাম কৰিবলৈ আপোনাৰ থকা ধাৰণবোৰৰ ওপৰত টোকা বনাবলৈ সুবিধা দিয়ে।

এই বিশেষ ভাগবিলাক শ্ৰীযুত শৰ্মাই তেওঁৰ বিদ্যালয়ত সম্পৰ্ক হোৱাকৈ ব্যহাৰ কৰিছিল। প্ৰতিটো ভাগৰ পৰা পোৱা আটাইতকৈ বেছি বা কমকৈ পোৱা সাধাৰণ নিয়মবোৰ তেওঁ চাইছিল, তেওঁ মাত্ৰ হিন্দু আৰু মুছলিমৰ চাইছিল আৰু কিছুমান সময়ত অন্য ভাষাৰ দলবোৰৰ বৈশিষ্ট্যসমূহো মন কৰিছিল।

## আলোচনা Discussion

আপুনি শ্ৰীযুত শৰ্মাৰ তালিকাখন চাই অনুভৱ কৰিছিল যে ভাল পৰিয়ালৰ পৰা অহা হিন্দু ল'ৰা ছাত্ৰবোৰে ভালদৰে শিকন পাবলৈ সুবিধা

বিচাৰে। এনেধৰণৰ কথা আপোনাৰ ক্ষেত্ৰতো হৈছিলনেকি? ই সাধাৰণতে পৃথক হোৱাৰ কাৰণ হ'ল ছাত্ৰীসকলে শিকিবৰ কাৰণে কম সুযোগ পায় বিশেষকৈ যদি তেওঁলোক দুখীয়া পৰিয়ালৰ হয়, পিছপৰা জাতি বা জনজাতিৰ হয় বা অনুসূচিত জাতি বা জনজাতিৰ ছোৱালী যদি তেওঁলোক বিশেষভাৱে শাৰীৰিকভাৱে অক্ষমতা শ্ৰেণীৰ ছোৱালী হয়, তেওঁলোকে কেতিয়াও বিদ্যালয়লৈ অহাৰ কথা নাভাবেই। এই ধাৰণাবিলাক দুগুণ তিনিগুণ অসুবিধাৰ সৃষ্টি কৰে আৰু আপুনি যিবোৰ ছাত্ৰী এটাতকৈ বেছি ভাগত সোমায় তেওঁলোকৰ বিষয়ে সচেতন হোৱা উচিত।

আপুনি মনোগ্ৰাহীকৈ লিখিব পাৰে যে শ্ৰীযুত শৰ্মাই সহজ ধাৰণাবোৰ লোৱা নাছিল কিয়নো তেওঁ স্পষ্টভাৱে আগবঢ়া দলবোৰৰ লগতে সহযোগ কৰা নাছিল তেওঁ চাৰি নম্বৰ দলৰ (বেছিকৈ আৰ্থ-সামাজিক পৰ্যায়ৰ লগত) শিকাৰুসকলৰ লগত সম্পৰ্ক থকা কি কি চিনাক্ত কৰিলে লিখক, তেওঁ সচেতন হৈছিল যে ছাত্ৰ-ছাত্ৰী বিলাকে কেতিয়াবা শিক্ষকৰ কাৰণেও শিকনত ব্যস্ত হোৱা নাছিল। আকৌ ছাত্ৰ-ছাত্ৰীসকলক বেলেগ বেলেগ দলত অন্তৰ্ভুক্ত কৰাৰ কথাটোও দেখুওৱা হোৱা নাছিল এইবোৰ তেওঁলোকৰ একাষৰীয়াকৈ কৰা কামত বেলেগ বেলেগ দিশ দেখুৱাব। গতিকে এইলৈ চিনি পোৱাৰ প্ৰয়োজন যে যদি আপুনি (উদাহৰণস্বৰূপে) দলবোৰত ছাত্ৰীসকলক অন্তৰ্ভুক্ত কৰে, ই বিশেষভাৱে ধৰ্মীয় হোৱাতকৈ বেলেগ বেলেগ ভাল দল গঠন হোৱাত সুবিধা হ'ব। দলটোৰ প্ৰত্যেককে ভালদৰে মন কৰাটো গুৰুত্বপূৰ্ণ আৰু বিদ্যালয়ত তেওঁলোকৰ শিকনৰ ব্যক্তিগত পৰিসৰবোৰ চিনি পোৱাতো অপৰিহাৰ্য।

ছাত্ৰ-ছাত্ৰীৰ শিকনীয়া ফলাফলত পোৱা আটাইতকৈ বেছি আভাষবোৰ যিবোৰ আপুনি চিনাক্ত কৰিব খুজিছে তেনে ধৰণৰ বিষয় কমেও দুই বা তিনিটামানহে পোৱা যাব আৰু এইবোৰ আপোনাৰ প্ৰথমৰ স্থানত থাকিব। আপুনি ইতিমধ্যে এই পাঠটোত পাইছে 'আপোনাৰ বিদ্যালয়ৰ উন্নীতকৰণত বেলেগ বেলেগ তথ্যৰ ব্যৱহাৰ আৰু আপোনাৰ সহকৰ্মীসকলৰ লগত একেলগে এইবোৰ আগুৱাই নিয়াৰ কৌশলবোৰৰ পদ্ধতি আলোচনা কৰি আৰম্ভ কৰিছে। কিন্তু প্ৰতিটো কাৰ্যতে ডাঙৰ ডাঙৰ ভাগবোৰৰ প্ৰয়োজনীয়তাৰ কথাটো অনুভৱ কৰা নহয়, আৰম্ভণীৰে আপুনি অতি সহজ পৰিবৰ্তনবো ল'ব পাৰে, যেনে- আপোনাৰ শ্ৰেণী কক্ষত ছাত্ৰ-ছাত্ৰী বহাৰ ব্যৱস্থাবোৰ।

আপুনি তথ্যবোৰ ব্যৱহাৰ কৰি আৰু প্ৰাধান্য স্থানবোৰ চিনাক্ত কৰি সহকৰ্মীসকলৰ লগত একেলগে পৰিৱৰ্তনবোৰে কেনেকৈ পাঠ্যত্ৰ ম, শিক্ষণীয় কৌশল, সুবিধাবোৰত সহযোগ বা ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু সমাজৰ অন্যান্য প্ৰাপ্তবয়স্কসকলৰ লগত হোৱা কথোপকথনে অন্তঃনিৰ্হিত শিকনীয় পৰিৱেশ বেছিকৈ সৃষ্টি কৰিব পাৰে ইত্যাদিকৰ আলোচনা কৰি আৰম্ভ কৰিব পাৰে।

## অন্তঃৰ্নিহিত শিকনীয় পৰিৱেশবোৰ বেছিকৈ সৃষ্টি কৰিবলৈ অন্যান্যসকলৰ লগত একেলগ হোৱা (4 Collaborating with others to create a more inclusive learning environment)

ধাৰণাবিলাকৰ চৰিত্ৰবিলাক আৰু উৰ্দ্ধতিবোৰৰ অন্তঃনিৰ্হিত পৰিবৰ্তনবোৰক বহুত সময়ৰ প্ৰয়োজন আৰু কিয় ছাত্ৰ-ছাত্ৰীৰ শিকনত এনেধৰণৰ পৰিবৰ্তনবোৰৰ আৱশ্যক তাৰ আলোচনাবোৰ স্থিতিশীল হয়। মুৰব্বী হিচাপে আপুনি আপোনাৰ নিজৰ দৃশ্যবোৰৰ সলনি কৰিবলৈ আৰম্ভ কৰিব পাৰে আৰু বহুত বেছিকৈ অন্তঃনিৰ্হিত ধাৰণাবোৰ আৰু চৰিত্ৰবোৰৰ নমুনা দেখুৱাব পাৰে, কিন্তু আপোনাৰ সহকৰ্মীসকলৰ যাৰ এই অন্তঃনিৰ্হিত গুণবোৰ আছে তেওঁলোককহে নমুনা হিচাপে আহিবলৈ ক'ব যদি তেওঁলোকৰ ব্যক্তিগতভাৱে তেওঁলোকৰ অনুশীলনবোৰ ল'ব পাৰে বুলি অন্যসকলে কি কৰি আছে শুনিব পৰা আৰু তেওঁলোকৰ ভাৱধাৰাবোৰৰ আদান-প্ৰদান কৰিব পৰাৰ ক্ষমতাবোৰ ভাবিবলৈ দক্ষতা থাকে। শিকনীয় ফলাফলবোৰৰ উন্নতিৰ কাৰণে এই অন্তঃনিৰ্হিত গুণবোৰ কৃতকাৰ্য হ'ব যদি এইবোৰ বিদ্যালয়ৰ ভিতৰত আৰু ছাত্ৰ-ছাত্ৰীৰ উন্নতিৰ প্ৰতিটো দিশত স্থিতিশীল হয়। গতিকে আপোনাৰ সহকৰ্মীসকল একেলগে পৰিকল্পনাৰ পদ্ধতিবোৰ আৰু ইয়াৰ কাৰ্যকাৰিতাবোৰত অন্তৰ্ভুক্ত হোৱাটো প্ৰয়োজনীয়।

এতিয়া, বিদ্যালয় মুৰব্বী শ্ৰীমতী ৰাণীমাৰ কাহিনীটো পঢ়ক যিগৰাকীয়ে তেওঁৰ বিদ্যালয়ৰ সমতা, পৃথকীকৰণ আৰু অন্তঃনিৰ্হিত সূচীবোৰ উলিয়াই আনিবৰ কাৰণে কাম কৰাত জোৰ দিয়াতো অনুভৱ কৰিছিল।

## বিষয় অধ্যয়ন 1 ঃ শ্ৰীমতী ৰাণীমাৰ সহকৰ্মীসকলৰ লগত হোৱা আলোচনা

### (Case Study 1: Mrs Menon’ s staff meeting)

